# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-06-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

00000

ডিব্ৰুগড়ৰ জনসাধাৰণৰ দীৰ্ঘদিনীয়া দাবী পূৰণ কৰি অহা ২০ ছেপ্তেম্বৰত ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ প্ৰভাতী বিমান সেৱা আৰম্ভ হ'ব। সেইদিনাই যোৰহাটৰ পৰা নতুন দিল্লীলৈ আন এখন নতুন বিমানৰ উৰণো আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উজনি অসমৰ তিনিখন জিলা ডিব্ৰুগড়, লখিমপুৰ আৰু শিৱসাগৰ ভ্ৰমণ সামৰি ডিব্ৰুগড়ৰ মুখ্যমন্ত্ৰী সচিবালয়ত এখন সংবাদ মেলত আজি এই কথা প্ৰকাশ কৰে। ইণ্ডিগ' বিমান সংস্থাৰ সৈতে হোৱা বৈঠক মৰ্মে এই সেৱা আগবঢ়োৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ড০ শৰ্মাই শিৱসাগৰৰ ভটিয়াপাৰৰ অ' এন জি চিৰ গেছ্ নিৰ্গমনৰ ফলত ক্ষতিগ্ৰস্ত ৩৩২টা পৰিয়ালক মুখ্যমন্ত্ৰী সাহায্য পুঁজিৰ পৰা ২৫ হাজাৰ টকাৰ এককালীন সাহায্য প্ৰদান কৰাৰ কথাও সংবাদমেলত ঘোষণা কৰে। এই গেছ নিৰ্গমন ৰোধৰ বাবে আমেৰিকাৰ এগৰাকী বিশেষজ্ঞক আমন্ত্ৰণ জনোৱা হৈছে আৰু শীঘ্ৰেই এই সমস্যা সমাধান হ'ব বুলি তেওঁ উল্লেখ কৰে। এই সন্দৰ্ভত কেন্দ্ৰীয় পেট্ৰলিয়াম মন্ত্ৰী হৰদীপ সিং পুৰীৰ সৈতে তেওঁ যোগাযোগ ৰক্ষা কৰি আছে আৰু প্ৰয়োজনত পুনৰ শিৱসাগৰলৈ যাব বুলিও মন্তব্য কৰে। তদুপৰি মৰাণ আৰু মটক পৰিষদত এতিয়াৰে পৰা কেৱল মৰাণ আৰু মটক জনগোষ্ঠীৰ লোকেহে ভোটদান কৰিব পাৰিব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

00000

কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ দপ্তৰৰ মন্ত্ৰী হৰদ্বীপ সিং পুৰীয়ে আজি শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰ তৈল ক্ষেত্ৰৰ অধীনৰ ১৪৭ নম্বৰ ৰীগত বিগত কেইবাদিনো ধৰি হৈ থকা গেছ নিৰ্গমন ৰোধ কৰাৰ বাবে তেল আৰু প্ৰাকৃতিক গেছ নিগমে চলাই থকা প্ৰচেষ্টাৰ বুজ লয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে তেল আৰু প্ৰাকৃতিক গেছ্ নিগমৰ বিভিন্ন কেন্দ্ৰৰ পৰা বিশেষজ্ঞ লোকসকলক অনা হৈছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে উচ্চ ক্ষমতা সম্পন্ন পাম্প ব্যৱহাৰ কৰা হৈছে। তেওঁ লগতে কয়, যে অ' এন জি চিৰ বিষয়াসকল আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞসকলৰ সৈতে নিৰন্তৰ যোগাযোগত আছে। অঞ্চলটোত জুই ৰোধ কৰা আৰু পৰিৱেশ শীতল কৰি ৰখাৰ বাবে অহৰহ পাম্পেৰে পানীৰ এটা আৱৰণ সৃষ্টি কৰা হৈছে। ৰীগটোৰ কাষৰীয়া অঞ্চলত বাস কৰা লোকসকলক স্থানান্তৰিত কৰা হৈছে আৰু তেওঁলোকক সকলো ধৰণৰ সাহায্য প্ৰদান কৰা হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

00000

ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ১২৩ সংখ্যক ওপজা দিন উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়। ৰূপান্তৰেহে জগত ধুনীয়া কৰে বুলি ভৱিষ্যমুখী সমাজ নিৰ্মাণৰ পণ লোৱা সুন্দৰৰ পূজাৰীগৰাকী প্ৰথম অসমীয়া চলচ্চিত্ৰ জয়মতীৰ নিৰ্মাতা, গীত-নাট-কবিতাকে ধৰি সাহিত্যৰ

মেটমৰা সম্ভাৰেৰে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি যোৱা সব্যসাচী শিল্পী আছিল। ১৯০৩ চনৰ এই দিনটোতে ডিব্ৰুগড়ৰ তামোলবাৰী চাহ বাগিচাত শিল্পীগৰাকীৰ জন্ম হৈছিল। গীত-মাত, সাহিত্য সাধনাৰ লগতে দেশৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয় ভূমিকা লোৱা শিল্পীগৰাকীৰ সৃষ্টিসমূহে সমাজৰ সকলো স্তৰৰ লোকক আগবাঢ়ি যোৱাৰ প্ৰেৰণা দিছিল।

জন্মদিন উপলক্ষে আজি ৰূপকোঁৱৰৰ জন্মস্থান ডিব্ৰুগড়ৰ লাহোৱাল সমষ্টিৰ মদাৰখাল মৌজাৰ অন্তৰ্গত তামোলবাৰী চাহ বাগিছাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰে।

জয়মতী নিৰ্মাণস্থলী গহপুৰৰ ভোলাগুৰিতো আজি ৰূপকোঁৱৰক স্মৰণ কৰি গুণমুগ্ধসকলে শ্ৰদ্ধা নিবেদন কৰে। তেজপুৰতো আজি সুন্দৰৰ পূজাৰীগৰাকীৰ স্মৃতিত গীত-মাত আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। তেজপুৰ সাহিত্য সভাৰ লগতে জ্যোতি ভাৰতীত বহু লোক সমবেত হৈ ৰূপকোঁৱৰৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰে। একাংশ নবীন-প্ৰবীণ শিল্পীয়ে ৰূপকোঁৱৰৰ গীত, কবিতা আৰু নাটকৰ সংলাপেৰে তেওঁৰ স্মৃতি শ্ৰদ্ধা জ্ঞাপন কৰে।

ooooo

কাছাৰ জিলাৰ ভাৰত-বাংলাদেশ সীমান্তত চোৰাং ব্যৱসায় আৰু অন্যান্য অবৈধ কাৰ্যকলাপ ৰোধৰ বাবে জিলা আয়ুক্ত মৃদুল কুমাৰ যাদৱে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ অধীনত এলানি নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি সীমান্তৰ এক কিলোমিটাৰ সীমাৰ ভিতৰত সূৰ্যাস্তৰ পৰা সূৰ্যোদয়লৈ ব্যক্তিৰ চলাচল সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। একেদৰে এই সময়ছোৱাত সুৰমা নদীত মাছ ধৰাৰ বাবে নাও চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। অঞ্চলটোৰ লোকসকলে আগতীয়াকৈ কাটিগড়া ৰাজহ চক্ৰৰ অনুমতি লোৱাৰ পাছত সীমিত সংখ্যক নাও চলাচল কৰিব পাৰিব।

ooooo

হোজাই জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্তই আজি জিলা আয়ুক্তৰ সভাকক্ষত জিলাখনত ৰূপায়ণ হৈ থকা কল্যাণকামী আঁচনিসমূহৰ পৰ্যালোচনা কৰে। সভাত জিলা আয়ুক্ত, হোজাই আৰু লামডিং সমষ্টিৰ দুয়োগৰাকী বিধায়কে ধৰি কেইবাটাও বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। সভাত মন্ত্ৰীগৰাকীয়ে জিলাখনত বান প্ৰস্তুতিৰ বাবে আগধন প্ৰদান কৰাৰ কথা প্ৰকাশ কৰে। এই বৈঠকতে মিছন বসুন্ধৰাৰ অধীনত জিলাখনৰ চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠানসমূহক ভূমি প্ৰদানৰ বিষয়টো পৰ্যালোচনা কৰা হয়।

ooooo

যোৰহাট জিলাৰ লাহদৈগড়ত আৰক্ষীয়ে অভিযান চলাই আজি বুজন পৰিমাণৰ সুৰা জব্দ কৰে। আৰক্ষীয়ে এখন বিলাসী বাহনৰ পৰা ৬০০ লিটাৰৰো অধিক সুৰা জব্দ কৰাৰ লগতে গাড়ীখনৰ আৰোহীক আটক কৰি তদন্ত আৰম্ভ কৰিছে।

ooooo

সমাপ্ত